- দুটা পৃথক কামত একে সময়তে মনোনিৱেশ কৰিব পৰাকে মনোযোগৰ বিভাজন বোলে। দুয়োটা কামৰ স্বৰূপ ভিন ভিন। দুয়োটা গোটত অৰ্ন্তভুক্ত কৰিব পাৰি অথবা দুয়োটা কামৰ মাজৰে এটা স্বয়ংক্রিয় কাম/ হ'ব নোৱাৰিব।



৩.৮ প্রসংগ পুথি

1. S.K Mangal 2007: Essentials of Educational Psychology, Prentice Hall of India Private limited, New Delhi,
2. Dr. Luffun Rasul Saikia 1997: Psychological and statistical Experments in Education, Saraighat Printers, M.C. Road, Guwahati.
3. Chauhan S.S 2007: Advance Educational Psychology, Vikash Publishing House, New Delhi.

৩.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ: মনোযোগ হ'ল এটা মানসিক প্রচেষ্টা অথবা সচেতন মনক নিয়ন্ত্রণ অথবা অনুশাসনৱদ্ধ কৰাৰ প্রয়াস। কোনো বিষয়ৰ ওপৰত আমি কেনেদৰে মনোনিৱেশ কৰোঁ অথবা নজৰ দিওতাৰ ভিত্তিত মনোযোগৰ পৰিমাণ নির্দ্ধাৰণ কৰা হয়। পাৰিপার্শ্বিকৰ অন্য কথাবোৰ আওকাণ কৰি মাত্র এটা নির্বাচিত দিশত চিন্তা-ধাৰণা কেন্দ্রীভূত কৰাৰ বোধশক্তি সম্পর্কীয় প্রক্রিয়াটোৱে মনোযোগ।

২ নং প্রশ্নৰ উত্তৰ: মনোযোগৰ চাৰিটা বৈশিষ্ট্য হ'ল-

- মনোযোগ হ'ল মনৰ প্রচেষ্টামূলক ক্রিয়া।
- মনোযোগ কোনো ফলাফল নহয়, ই দৰাচলতে এটা প্রক্রিয়া।
- মনোযোগে আমাক পাৰিপার্শ্বিক সম্পর্কে সজাগ অথবা সচেতন কৰি তোলে।
- এটা সময়ত আমি কোনো এটা নির্দিষ্ট বস্তুৰ ওপৰতহে চিন্তা কেন্দ্রীভূত কৰিব পাৰোঁ অথবা সচেতনতা নিৱিষ্ট কৰিব পাৰোঁ।

৩ নং প্রশ্নৰ উত্তৰ: মনোযোগৰ কাৰণ অথবা কাৰকবোৰ বাহ্যিক অথবা আভ্যন্তৰীণ হ'ব পাৰে।